**Signature and Name of Invigilator**

1. (Signature) ____________________

   (Name) ____________________

2. (Signature) ____________________

   (Name) ____________________

**Answer Sheet No. :** ...............................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | | |

(In figures as per admission card)

**Roll No.** ____________________

(In words)

**Test Booklet No.**

**D – 3605**

## PAPER – II

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Serial No. of the booklet should be entered in the Answer-sheets and the Serial No. of Answer Sheet should be entered on this Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ● (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या उत्तर-पत्रक पर अंकित करें और उत्तर-पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ● (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

**টোকা ঃ এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় ৫০ (পঞ্চাছ)টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ২ (দুই)। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।**

**তলৰ 1 ৰ পৰা 15 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত** A, B, C, D **চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো বাচি উলিওৱা।**

**1.** চৰ্যাপদবোৰ কোন শ্ৰেণীৰ গীত?

(A) আখ্যানমূলক (B) ধ্ৰুপদী

(C) বিলাপৰ গীত (D) বাৰমাহী

**2.** 'প্ৰহ্লাদ চৰিত' পুথিৰ কবি কোন?

(A) মাধৱ কন্দলি (B) হেম সৰস্বতী

(C) ৰত্ন কন্দলি (D) কবি ৰত্ন সৰস্বতী

**3.** মাধৱ কন্দলি ৰচিত ৰামায়ণৰ কাণ্ড কেইটা?

(A) দুটা (B) তিনিটা

(C) পাঁচটা (D) সাতটা

**4.** শঙ্কৰদেৱ প্ৰণীত অন্তিম নাটক কোনখন?

(A) পাৰিজাত হৰণ (B) ৰাম বিজয়

(C) পত্নী প্ৰসাদ (D) কালি দমন

**5.** কবিৰাজ চক্ৰৱৰ্তীৰ পৃষ্ঠপোষক ৰজাজন কোন?

(A) গদাধৰ সিংহ (B) শিৱ সিংহ

(C) লক্ষ্মী সিংহ (D) ৰুদ্ৰ সিংহ

6. সূৰ্যখৰি দৈৱজ্ঞই কোনখন পুথি ৰচনা কৰিছিল?

(A) দৰং ৰাজবংশাৱলী

(B) ত্ৰিপুৰা বুৰঞ্জী

(C) তুংখুঙীয়া বুৰঞ্জী

(D) গোৱিন্দ বংশাৱলী

7. 'কিতাৱত মঞ্জৰী' কোন বিষয়ৰ পুথি?

(A) গণিত

(B) চিকিৎসা

(C) জ্যোতিষ

(D) ছন্দ

8. বিশ্বেশ্বৰ বৈদ্যাধিপে কোনখন পুথি ৰচনা কৰে?

(A) বুৰঞ্জী-বিৱেক-ৰত্ন

(B) দেওধাই অসম বুৰঞ্জী

(C) কলিভাৰত বুৰঞ্জী

(D) বেলিমাৰৰ বুৰঞ্জী

9. 'অৰুণোদই' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল?

(A) এ. এইচ্. ডেনফোৰ্ড

(B) ও. টি. কাটাৰ

(C) নাথান ব্ৰাউন

(D) মাইলছ্ ব্ৰন্‌ছন

10. কোনজন খৃষ্টান মিছনেৰীয়ে প্ৰথমখন অসমীয়া ব্যাকৰণ লিখে?

(A) মাইলছ ব্ৰন্‌ছন

(B) উইলিয়ম ৰবিন্‌ছন

(C) নাথান ব্ৰাউন

(D) এ. কে. গাৰ্ণি

11. অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা?

(A) ৬টা

(B) ৭টা

(C) ৮টা

(D) ১১টা

12. মান্য অসমীয়া ভাষাত শ্বাসাঘাত ক'ত পৰে?

(A) আদ্যাক্ষৰত

(B) মধ্যাক্ষৰত

(C) উপধাক্ষৰত

(D) অন্ত্যাক্ষৰত

13. অসমীয়া সমাজৰ একমাত্ৰ স্ত্ৰী-কেন্দ্ৰিক অনুষ্ঠান কি?

(A) লক্ষ্মীপূজা (B) মনসা পূজা

(C) কাতি-দেৱতাৰ পূজা (D) কেঁচাইখাইতী গোঁসানীৰ পূজা

14. অতীজতে মিচিংসকল সমূহীয়াভাৱে থকা ঘৰটোৰ নাম কি?

(A) মাৰল ঘৰ (B) মৰং ঘৰ

(C) ডেকা চাং (D) গাভৰু চাং

15. বড়োসকলৰ জাতীয় উৎসৱ কোনটো?

(A) মে-ডাম মে-ফি (B) হাংচেউ মানাওবা

(C) আলি আই লিগাং (D) খেৰাই

**তলৰ 16 ৰ পৰা 20 লৈ দিয়া প্ৰতিটো অসম্পূৰ্ণ বাক্যৰ তলত দিয়া** A, B, C, D **ৰ কোনটো বাক্যাংশ যোগ দিলে সম্পূৰ্ণ হয় বিচাৰি উলিওৱা।**

16. আমাৰ অতি পৰিচিত 'ভেৰী' হ'ল—

(A) এক প্ৰকাৰ বাদ্যযন্ত্ৰ (B) এক প্ৰকাৰ অস্ত্ৰ

(C) এক প্ৰকাৰ বাহন (D) এক প্ৰকাৰ ছন্দ

17. 'নূপুৰ' পিন্ধা শৰীৰৰ অঙ্গ হ'ল—

(A) নাক (B) ডিঙি

(C) কঁকাল (D) ভৰি

18. 'বাক্যং ৰসাত্মকং কাব্যম্' — এই উক্তিটোৰ বক্তা হ'ল—

(A) জগন্নাথ কৱিৰাজ (B) বিশ্বনাথ কৱিৰাজ

(C) কুন্তক (D) ৰাজশেখৰ

19. ভাৰতীয় আলঙ্কাৰিকসকলৰ ভিতৰত ‘ৰস আঠবিধ’ বুলি নিৰ্দেশ কৰা পণ্ডিতজন—

(A) আনন্দৱৰ্দ্ধন  (B) ভামহ

(C) দণ্ডী  (D) ভৰতমুনি

20. ‘উৎকৃষ্টতম শব্দপুঞ্জৰ উৎকৃষ্টতম বিন্যাসেই কবিতা।’

(A) ক’লেৰিজে  (B) ৱৰ্ডচ্‌ৱৰ্থে

(C) শ্যেলীয়ে  (D) বাইৰণে

**তলৰ 21 ৰ পৰা 30 লৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্য-কাৰণ নিৰ্ণয় কৰি A, B, C আৰু D চাৰিটা বিকল্প দিয়া হৈছে ; তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা।**

21. অসমীয়া ভাষাত বিশিষ্ট-ধ্বনি (Phoneme) আৰু বৰ্ণমালাৰ আখৰৰ মাজত সম্পূৰ্ণ মিল নাই, কাৰণ

(A) অসমীয়াত আখৰতকৈ বিশিষ্ট-ধ্বনিৰ সংখ্যা কম।

(B) অসমীয়াত বিশিষ্ট ধ্বনিতকৈ আখৰৰ সংখ্যা কম।

(C) বৰ্ণমালাৰ পৰা কেইবাটাও আখৰ উঠি গৈছে।

(D) ‘য়’ আৰু ‘ৱ’ক কিছুমানে বিশিষ্ট ধ্বনি হিচাপে গ্ৰাহ্য নকৰে।

22. মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ সময়ত অসমৰ মহিলাসকলৰ ভূয়সী প্ৰশংসা কৰিছিল, কাৰণ—

(A) অসমৰ মহিলাসকল সকলো কামতে নিপুন।

(B) অসমৰ বিয়াত ছোৱালীৰ লগত যৌতুক দিয়াৰ বাধ্য বাধকতা নাই।

(C) অসমৰ মহিলাই তাঁতৰ পাতত সপোন ৰচনা কৰিব পাৰে।

(D) অসমৰ তিৰোতাই সমাজত পুৰুষৰ সমানে ঠাই পাইছিল।

23. “সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যত অনুবাদৰ ধাৰাটো তেনেই দুৰ্বল বুলিব পাৰি;” এই মন্তব্যটো

(A) ভুল; কিয়নো আজিকালিও বহুতো ইউৰোপীয়, বা আমেৰিকান সাহিত্য অনূদিত হৈ আছে।

(B) শুদ্ধ; কিয়নো আজিকালি আগৰ দৰে দেশ-বিদেশৰ সাহিত্য অসমীয়ালৈ অনূদিত হৈ থকা নাই।

(C) আংশিকভাৱে ভুল; সাহিত্য অকাদেমিৰ সৌজন্যত বহুতো অকাদেমি পুৰস্কাৰ প্ৰাপ্ত পুথি অনূদিত আৰু প্ৰকাশিত হৈ আছে।

(D) আংশিকভাৱে শুদ্ধ; কিয়নো প্ৰকাশকসকলৰ বিদেশী ভাষাৰ পৰা অনূদিত পুথি প্ৰকাশ কৰাৰ আগ্ৰহ নাই।

24. অসমীয়াত ‘দেখুৱাইছিলোঁ’ ক্রিয়াপদটো এটা যৌগিক পদ; কাৰণ ইয়াক সূক্ষ্মাতিসূক্ষ্ম ৰূপে এনেদৰে ভাঙিব পাৰি ঃ

(A) দেখুৱাইছিল + ওঁ

(B) দেখুৱা + ইছিল + ওঁ

(C) দেখ্ + উৱা + ইছিলোঁ

(D) দেখ্ + উৱা + ইছ্ + ইল + ওঁ

25. অসমৰ সংস্কৃতিক আমি ‘বাৰে বৰণীয়া সংস্কৃতি’ বুলি কব পাৰোঁ, কাৰণ—

(A) অসমীয়া সংস্কৃতি বৰ্ণ-বিভাজনত বিশ্বাস কৰা আৰ্য-সংস্কৃতিৰ পৰশত সঞ্জীৱিত।

(B) অসমীয়া সংস্কৃতিত বহুতো বড়ো আৰু ৰাভা উপাদান সোমাই আছে।

(C) অসমীয়া সংস্কৃতিত বহুতো অষ্ট্রিক উপাদান সোমাই আছে।

(D) অসমীয়া সংস্কৃতিত আৰ্য আৰু অনাৰ্য উপাদানৰ সমন্বয় ঘটিছে।

26. সাম্প্রতিক কালত নাটকৰ প্ৰকাশন সবাতকৈ কম; কাৰণ—

(A) ভাল নাট্যকাৰ নাই।

(B) পঠনযোগ্য সাহিত্য হিচাপে নাটক আদৃত নহয়।

(C) দূৰদৰ্শন আৰু অনাতাঁৰ কেন্দ্ৰই মুদ্রিত নাটকৰ ওপৰত নিৰ্ভৰ নকৰে।

(D) স্থায়ী নাট্যশালা আৰু অভিনেতা অভিনেত্রীৰ অভাৱ।

27. ছাত্ৰ-ছাত্ৰীসকলে শব্দাৰ্থ তত্ত্ব বিশদভাৱে জানিবলৈ সঘনে অভিধান চাব লাগে ; কাৰণ অভিধানত

(A) শব্দৰ বুৎপত্তি দিয়া থাকে।

(B) শব্দৰ বিভিন্ন অৰ্থ আৰু প্ৰয়োগ দিয়া থাকে।

(C) শব্দৰ সঠিক উচ্চাৰণ দিয়া থাকে।

(D) A, B আৰু C আটাইকেইটা থাকে।

28. সাম্প্ৰতিক যুগৰ অসমীয়া কবিতা ৰোমাণ্টিক যুগৰ কবিতাতকৈ বেলেগ হোৱাৰ মূল কাৰণ—

(A) আধুনিক কবিতা ভাবগত আৰু ৰূপগতভাৱে পৃথক।

(B) আধুনিক কবিতাত অলংকাৰ নাই।

(C) আধুনিক কবিতাত ধ্বনিৰ অনুকৰণন নাই।

(D) আধুনিক কবিতাত ৰসৰ সমাৱেশ নাই।

29. অসমীয়া আদিযুগৰ লোক-সাহিত্যৰ সম্পূৰ্ণ চানেকি আজিকালি পাবলৈ নাই ; কাৰণ—

(A) তেতিয়া লেখন প্ৰণালী নাছিল।

(B) লোক-সাহিত্য মৌখিক আছিল।

(C) তেতিয়া প্ৰকাশন সংগঠন নাছিল।

(D) সাহিত্যিক মূল্য কম হোৱা কাৰণে সেইবোৰ তিষ্ঠি নাথাকিল।

30. মামনি ৰয়চম গোস্বামীৰ 'আধালেখা দস্তাবেজ'খনক উপন্যাস ধৰ্মী ৰচনা বুলিব নোৱাৰি; কাৰণ—

(A) কাহিনীৰ জকাঁটোত কল্পনাৰ স্ফূৰণ নাই।

(B) উপন্যাসৰ ৰীতি তাত প্ৰতিফলিত হোৱা নাই।

(C) ই এখন অসম্পূৰ্ণ জীৱনী।

(D) ই এখন অসমাপ্ত আত্মজীৱনী।

**তলৰ 31 ৰ পৰা 38 লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী-পুথি/লেখক/নৃগোষ্ঠীসমূহৰ যথাক্ৰমে প্ৰকাশন/জন্ম/প্ৰব্ৰজনৰ সময় অনুসৰি একাদিক্ৰমে তালিকাৰদ্ধ কৰি A, B, C আৰু D চাৰিটা বিকল্প দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ ঃ**

31. (i) অৰুনোদই

(ii) আৱাহন

(iii) জোনাকী

(iv) আসাম-বন্ধু

(A) (i), (iii), (iv), (ii)

(B) (ii), (iv), (iii), (i)

(C) (iv), (ii), (i), (iii)

(D) (iii), (i), (ii), (iv)

**32.** (i) লক্ষ্মীনাথ বেজবৰুৱা

(ii) লম্বোদৰ বৰা

(iii) হেমচন্দ্ৰ বৰুৱা

(iv) গুণাভিৰাম বৰুৱা

(A) (iii), (iv), (ii), (i)

(B) (iv), (i), (iii), (ii)

(C) (iv), (iii), (i), (ii)

(D) (ii), (i), (iii), (iv)

**33.** (i) ভক্তি-ৰত্নাকৰ

(ii) লৱ-কুশৰ যুদ্ধ

(iii) নাম-ঘোষা

(iv) শ্ৰীকৃষ্ণ কীৰ্ত্তন

(A) (ii), (i), (iii), (iv)

(B) (iv), (ii), (i), (iii)

(C) (iii), (i), (ii), (iv)

(D) (i), (iii), (iv), (ii)

**34.** (i) কানীয়াৰ কীৰ্তন

(ii) বঙাল-বঙালনী

(iii) ৰাম-নৱমী

(iv) গাঁওবুঢ়া

(A) (i), (iii), (iv), (ii)

(B) (ii), (iv), (i), (iii)

(C) (iii), (i), (ii), (iv)

(D) (iv), (ii), (iii), (i)

**35.** (i) ৰুক্মিনীহৰণ

(ii) কালিয়দমন

(iii) পাৰিজাত-হৰণ

(iv) ৰামবিজয়

(A) (iii), (i), (iv), (ii)

(B) (iv), (ii), (i), (iii)

(C) (ii), (iv), (iii), (i)

(D) (ii), (i), (iii), (iv)

**36.** (i) নৰকান্ত বৰুৱা

(ii) আনন্দচন্দ্ৰ বৰুৱা

(iii) হেম বৰুৱা

(iv) বীৰেশ্বৰ বৰুৱা

(A) (iii), (ii), (iv), (i)

(B) (ii), (iii), (i), (iv)

(C) (iv), (ii), (iii), (i)

(D) (i), (iv), (ii), (iii)

**37.** (i) মংগোলীয়

(ii) ককেছাছ

(iii) অষ্ট্ৰিক

(iv) আলপাইন

(A) (i), (iv), (ii), (iii)

(B) (iii), (i), (iv), (ii)

(C) (iv), (ii), (iii), (i)

(D) (ii), (iii), (i), (iv)

**38.** (i) শৰৎচন্দ্ৰ গোস্বামী

(ii) লক্ষ্মীনাথ বেজবৰুৱা

(iii) নকুলচন্দ্ৰ ভূএগা

(iv) লক্ষ্মীনাথ ফুকন

(A) (ii), (i), (iii), (iv)

(B) (iii), (ii), (iv), (i)

(C) (iv), (ii), (i), (iii)

(D) (i), (iii), (iv), (ii)

**তলৰ 39 ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহত ‘ক’ স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভত দিয়া বিষয়সমূহক মিলাই** A, B, C **আৰু** D **এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ ঃ**

**39.** **স্তম্ভ ‘ক’** **স্তম্ভ ‘খ’**

(a) শৰৎচন্দ্ৰ গোস্বামী (i) আখৰ জোঁটনি

(b) বাক্য গঠন বিশ্লেষণ (ii) বাক্যতত্ত্ব

(c) কোনো ভাষাৰ উচ্চাৰণগত আলোচনা (iii) ৰূপতত্ত্ব

(d) বানান বিশ্লেষণ (iv) ভাষাতত্ত্ব

(v) ধ্বনিতত্ত্ব

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (A) | (i) | (iii) | (ii) | (iv) |
| (B) | (iii) | (ii) | (v) | (i) |
| (C) | (ii) | (iii) | (v) | (iv) |
| (D) | (ii) | (iv) | (iii) | (i) |

**40.** **স্তম্ভ ‘ক’** **স্তম্ভ ‘খ’**

(a) খাচি (i) চীনা

(b) বড়ো (ii) তিব্বতবৰ্মী

(c) অসমীয়া (iii) আৰ্য

(d) তামিল (iv) দ্ৰাবিড়

(v) অষ্ট্ৰিক

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (A) | (i) | (iii) | (ii) | (iv) |
| (B) | (v) | (iv) | (iii) | (ii) |
| (C) | (v) | (ii) | (iii) | (iv) |
| (D) | (ii) | (i) | (iv) | (iii) |

41. স্তম্ভ 'ক' স্তম্ভ 'খ'

(a) কমতাপুৰ (i) কছাৰী ৰাজ্য

(b) খাছপুৰ (ii) কামৰূপ ৰাজ্য

(c) প্ৰাগজ্যোতিষপুৰ (iii) কোচ ৰাজ্য

(d) ৰংপুৰ (iv) আহোম ৰাজ্য

(v) ডিমাছা ৰাজ্য

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iv) | (v) |
| (B) | (iii) | (v) | (ii) | (iv) |
| (C) | (ii) | (iii) | (i) | (v) |
| (D) | (iv) | (ii) | (iii) | (i) |

42. স্তম্ভ 'ক' স্তম্ভ 'খ'

(a) মোৰ জীৱন সোঁৱৰণ (i) আনন্দৰাম ঢেকিয়াল ফুকন

(b) মোৰ জীৱন দাপোন (ii) পদ্মধৰ চলিহা

(c) মোৰ সোঁৱৰণী (iii) বেনুধৰ ৰাজখোৱা

(d) মোৰ জীৱন বীণৰ সুৰ (iv) পদ্মনাথ গোহাঞিঃ বৰুৱা

(v) লক্ষ্মীনাথ বেজবৰুৱা

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (v) | (iii) | (iv) | (ii) |
| (B) | (i) | (v) | (iv) | (ii) |
| (C) | (ii) | (iii) | (i) | (iv) |
| (D) | (iv) | (ii) | (iii) | (i) |

43. স্তম্ভ 'ক' স্তম্ভ 'খ'

(a) কাব্যভূমি (i) সত্যেন্দ্ৰ নাথ শৰ্মা

(b) নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য (ii) বিৰিঞ্চি কুমাৰ বৰুৱা

(c) কাব্য আৰু অভিব্যঞ্জনা (iii) হেম বৰুৱা

(d) আধুনিক সাহিত্য (iv) উমাকান্ত শৰ্মা

(v) ত্ৰৈলোক্যনাথ গোস্বামী

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iv) | (v) | (iii) | (i) |
| (B) | (iv) | (v) | (ii) | (iii) |
| (C) | (i) | (ii) | (iv) | (iii) |
| (D) | (ii) | (iii) | (i) | (iv) |

**44.** স্তম্ভ 'ক' / স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | কমতাপুৰ ধ্বংস | (i) | বিনন্দ চন্দ্ৰ বৰুৱা |
| (b) | ওমৰ তীৰ্থ | (ii) | ৰত্নকান্ত বৰকাকতী |
| (c) | শেৱালি | (iii) | হিতেশ্বৰ বৰবৰুৱা |
| (d) | প্ৰতিধ্বনি | (iv) | ডিম্বেশ্বৰ নেওগ |
| | | (v) | যতীন্দ্ৰ নাথ দুৱৰা |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (A) | (i) | (ii) | (ii) | (v) |
| (B) | (iii) | (v) | (ii) | (i) |
| (C) | (iv) | (ii) | (iii) | (i) |
| (D) | (ii) | (i) | (iii) | (iv) |

**45.**

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | ৰঘুনাথ চৌধাৰী | (i) | সাহিত্যৰথী |
| (b) | লক্ষ্মীনাথ বেজবৰুৱা | (ii) | ধ্বনিকবি |
| (c) | ৰজনীকান্ত বৰদলৈ | (iii) | বিহগী কবি |
| (d) | বিনন্দ চন্দ্ৰ বৰুৱা | (iv) | উপন্যাস সম্ৰাট |
| | | (v) | সাহিত্য-কাণ্ডাৰী |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iv) | (v) |
| (B) | (ii) | (iv) | (v) | (i) |
| (C) | (iii) | (i) | (iv) | (ii) |
| (D) | (v) | (i) | (iii) | (ii) |

**তলৰ দিয়া গদ্য-খণ্ড মনযোগ সহকাৰে পঢ়ি তাৰে তলত দিয়া 46 ৰ পৰা 50 লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ চিহ্নিত কৰা।**

অতুল সৌন্দৰ্যমণ্ডিত, বিস্ময়-বিজড়িত, অত্যুচ্চ হিমালয় পৰ্বতৰাজিয়ে বৈদিক ধৰ্ম আৰু সাহিত্যৰ সৃষ্টিত যিদৰে বিশেষভাৱে প্ৰেৰণা যোগাইছিল, সেইদৰে বহল লুইতৰ পাৰ, শ্যামল পৰ্বতমালা আৰু চকু জুৰোৱা ধাননি পথাৰে অসমীয়া জাতিৰ সুকীয়া বৈশিষ্ট্য গঢ়িবলৈ অৰিহণা যোগাই আহিছে। কেৱল আমাৰ জাতীয় কবিতাসমূহেই নহয়, পুৰণি সাধুকথা, প্ৰবচন, লোকগীত, কিংবদন্তি এই সকলোৰে জন্মনীড় হৈছে অসমৰ প্ৰকৃতি আৰু ভূগোল। অসমীয়া ভাষাৰ ওপৰতো প্ৰকৃতিৰ চাপ নপৰাকৈ থকা নাই। সংস্কৃতৰ ভালেমান কঠিন ধ্বনি অসমীয়াত কোমল ধ্বনিলৈ পৰিৱৰ্তন হোৱাৰ মূলতো প্ৰকৃতিৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। অসমীয়া ধ্বন্যাত্মক শব্দৰ ভালেখিনি মাধুৰ্য প্ৰকৃতিৰ অনুকৰণত গঢ়ি উঠিছে।

অসমৰ জলবায়ু নাতিশীতোষ্ণ। অসমীয়া মানুহে সেইকাৰণে বছৰৰ বাৰমাহতে পথাৰে-পৰ্বতে নৈয়ে-বিলে, হাবিয়ে-বননিয়ে জীৱন নিৰ্বাহৰ বিভিন্ন কামত সহজভাৱে ওলাই সোমাই ফুৰিব পাৰে। বাৰমাহী গীতত বৰ্ণোৱাৰ দৰে প্ৰতি ঋতুৱে অসমৰ প্ৰকৃতিক নতুন আভৰণেৰে অলঙ্কৃত কৰে। সেয়েহে উন্মুক্ত প্ৰকৃতিত মুকলিমূৰীয়াভাৱে বিচৰণ কৰা অসমীয়া মানুহৰ প্ৰাণত ঋতুৱে ঋতুৱে নতুন উৎসাহ, নতুন উদ্দীপনা, নবীন কল্পনাৰ উদয় হয়। প্ৰকৃতিৰ অনুৰাগত অনুৰঞ্জিত হোৱাৰ বাবে অসমীয়া মানুহ অহংভাবৰপৰাও ভালেখিনি মুক্ত হৈছে। প্ৰকৃতিৰ লগত আত্মীয়তাৰ সংস্পৰ্শলৈ অহা অসমীয়া মানুহৰ মনত যুগে যুগে বিচিত্ৰ ভাব-অনুভূতিৰ জন্ম হৈছে। তাৰ বাঙ্ময় প্ৰকাশৰ ফলত অসমীয়া ভাষাৰ অলেখ লোকগীতৰ জন্ম হৈছে। প্ৰকৃতিৰ লগত এই আত্মীয়তাৰ হেতু প্ৰকৃতিৰ সৰু-বৰ, ৰমণীয়, বৰণীয়, ভয়ঙ্কৰ সকলো ৰূপৰে সূক্ষ্মনিৰীক্ষণ সুচল হৈছে। সেই কাৰণে মেঘৰ গাজনি, বিজুলীৰ চমকনি, বাৰিষাৰ বাঢ়নী-পানী, লুইতৰ ঢৌ, বনগীতত মনোৰম আৰু প্ৰীতিকৰ হৈ ফুটি উঠিছে।

দিনৰ সৰহখিনি সময় মুকলি পথাৰত, নৈৰ শীতল বুকুত অথবা সেউজীয়া বননিত কটাবলগীয়া হোৱাত প্ৰকৃতিৰ ৰূপ-ৰস-বৰ্ণ-গন্ধ শব্দৰ প্ৰতি অসমীয়া মানুহ সকলো মুহূৰ্ততে সচেতন। চকুৰ আনন্দ আৰু ভয়-শঙ্কা জন্মোৱা মনোৰম আৰু ভয়ঙ্কৰ দৃশ্য, জিভাৰে গ্ৰহণ কৰা তিতা, মিঠা, কেহা আদিৰ আস্বাদ; স্পৰ্শৰ অনুভৱ গোচৰীয় শীত-উষ্ণ পদাৰ্থ, নাকে অনুভৱ কৰা বিবিধ গন্ধ, কাণত মধুৰ বা কৰ্কশ লগা ধ্বনি — এই সকলোবোৰেই প্ৰকৃতিৰ দান। প্ৰকৃতিৰ পৰশত স্পন্দিত হোৱা অনুভূতিৰ বহিঃ প্ৰকাশৰ কাৰণে বিহুগীত অসমীয়া মানুহৰ মনৰ আৰু অসমৰ প্ৰকৃতিৰ প্ৰতিচ্ছৱি হ'বলৈ সক্ষম হৈছে।

বিহুগীতসমূহ বিশ্লেষণ কৰিলে তাত অসমৰ প্ৰকৃতিৰ প্ৰধান চাৰিটা চিত্ৰ ৰূপায়িত হোৱা দেখা যায়। সেয়ে হৈছে অসমৰ নদ-নদী গৰু-ম'হ চৰণীয়া উদং চাপৰি আৰু জীৱন ধাৰণত সমল যোগোৱা বহল পথাৰ শ্যামল পৰ্বতৰাজি আৰু বিচিত্ৰ বৰ্ণৰ, মধুৰ সঙ্গীত সৃষ্টি কৰা পশুপক্ষীসমূহ। অসমীয়া সভ্যতা কৃষিজীৱনৰ সভ্যতা; কৃষিজীৱন সহজ নদীৰ পাৰত। অসমীয়া সভ্যতাও যুগ যুগ ধৰি লুইত-ব্ৰহ্মপুত্ৰৰ পাৰতে বৰ্দ্ধিত হৈছে। এই নদ অসমৰ

অধিষ্ঠাতা দেৱতা। লুইতৰ পানীয়ে অসমৰ পথাৰ শ্যামল কৰাৰ উপৰিও চিৰি লুইতৰ বুকুত পাৰি দিয়েই সতী বেউলাৰ দৰে অসমীয়া জীয়াৰী অসীমৰ পথত উজাই গৈছিল। পৰশুৰাম কুণ্ডকে আৰম্ভ কৰি মাজুলীৰ চাৰি সত্ৰক বুকুত লৈ অসমীয়াৰ ধ্যান ধাৰণাৰ তীৰ্থক্ষেত্ৰসমূহ লুইতৰ পাৰতে অৱস্থিত। অসমীয়া কৃষি-জীৱনৰ লগত ম'হৰো সম্পৰ্ক আছে। ম'হ থাইলেণ্ডৰ পৰা অসমলৈ অনা হৈছিল। ম'হ হ'ল শক্তি আৰু সৌন্দৰ্যৰো প্ৰতীক। গাখীৰৰ বাবেও ম'হ পোহা হয়। বিহুগীততো ম'হ যুজ আৰু ম'হৰ শিঙৰ পেঁপাৰ উল্লেখ আছে।

**46.** প্ৰকৃতিৰ সংস্পৰ্শলৈ অহাত অসমীয়া জাতি বহুত লাভৱান হৈছে, কাৰণ—

(A) তেওঁলোকে নাতিশীতোষ্ণ জলবায়ুৰ সুখ ভোগ কৰিব পাৰিছে।

(B) সংস্কৃতৰ কঠিন ধ্বনি অসমীয়াত কোমল হৈছে আৰু ধ্বন্যাত্মক শব্দৰ সমাৱেশ ঘটিছে।

(C) অতুল সৌন্দৰ্যমণ্ডিত পৰ্বতৰাজিয়ে ধৰ্ম আৰু সাহিত্য সৃষ্টিত অনুপ্ৰেৰণা যোগাইছিল।

(D) আমাৰ জাতীয় কবিতাসমূহ, লোকগীত, কিংবদন্তি আদিৰ উৎপত্তিৰ মূল হৈছে ভূগোল।

**47.** বিহুগীতত প্ৰকৃতিয়ে বিশেষ স্থান লাভ কৰাৰ কাৰণ—

(A) অসমীয়া মানুহ বাৰ মাহতে পথাৰে পৰ্বতে নৈয়ে বিলে সহজভাৱে ঘূৰি ফুৰিব পৰাটো।

(B) প্ৰকৃতিৰ লগত ঘটা ঘনিষ্ঠ সম্পৰ্কই অসমীয়া মানুহৰ মনত সৃষ্টি কৰা আনুভৌতিক আলোড়ণ।

(C) বিহুগীত লোকমানসৰ উল্লাসভৰা আনন্দৰ পৰিপ্ৰকাশ।

(D) অসমীয়া মানুহ প্ৰকৃতিৰ প্ৰভাৱত অহংভাবৰ পৰা মুক্ত।

**48.** অসমৰ জাতীয় জীৱনত লুইতে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে ; কাৰণ—

(A) লুইতৰ পানীয়ে অসমৰ পথাৰ শস্য-শ্যামলা কৰি ৰাখিছে।

(B) সতী বেউলাকে আদি কৰি বহু কাহিনীৰ পটভূমি লুইত।

(C) বহুত পুন্যস্থান আৰু সত্ৰ লুইতৰ পাৰত বা মাজত অৱস্থিত।

(D) ওপৰৰ তিনিওটা বিষয়েই প্ৰযোজ্য।

49. বিহুগীতত প্ৰকৃতিৰ কি কি চিত্ৰ ৰূপায়িত হৈছে?

(A) নদ-নদী আৰু গৰু, ম'হ চৰণীয়া চাপৰিৰ মনোৰম চিত্ৰ।

(B) পৰ্বত-পাহাৰ আৰু পশু পক্ষীৰ ৰমণীয় বৰ্ণ-বৈচিত্ৰ।

(C) নদ-নদী, চৰণীয়া পথাৰ, শ্যামল পৰ্বতমালা আৰু বিচিত্ৰ বৰ্ণৰ পশু পক্ষী সমূহৰ মনোৰম চিত্ৰ।

(D) বিচিত্ৰ বৰ্ণৰ আৰু মধুৰ সঙ্গীত সৃষ্টি কৰা পশু-পক্ষী সমূহৰ সুললিত বৰ্ণনা।

50. বিহুগীতত ম'হে গুৰুত্বপূৰ্ণ স্থান পোৱাৰ কাৰণ —

(A) ম'হ শক্তি আৰু সৌন্দৰ্যৰ প্ৰতীক।

(B) ম'হ থাইলেণ্ডৰ পৰা অনা।

(C) অসমীয়া কৃষি জীৱনৰ লগত একমাত্ৰ ম'হৰহে এৰাব নোৱৰা সম্পৰ্ক।

(D) ম'হৰ গাখীৰে অসমীয়া মানুহক শক্তি প্ৰদান কৰি আহিছে।

- o O o -

**Space For Rough Work**